ওপৰৰ তালিকাৰ পৰা দেখা পোৱা যায় যে 1901–1911 দশকটোত অসমত জনসংখ্যা বৃদ্ধিৰ দশকীয় হাৰ আছিল 16.99 । ইয়াৰ বিপৰীতে বাংলাদেশৰ দশকীয় বৃদ্ধিৰ হাৰ আছিল মাথোন 9.1। ঠিক একেদৰে 1911–21 দশকটোত অসমত জনসংখ্যা বৃদ্ধিৰ দশকীয় বৃদ্ধিৰ হাৰ আছিল 20.48 কিন্তু বাংলাদেশৰ দশকীয় বৃদ্ধিৰ হাৰ আছিল মাথোন 5.4। 1971–81 দশকত কিন্তু অসমৰ দশকীয় বৃদ্ধিৰ হাৰ 23.8 ৰ বিপৰীতে বাংলাদেশৰ আছিল 31.83। পুনৰ 81–91 বৰ্ষত বাংলাদেশৰ দশকীয় বৃদ্ধিৰ হাৰ পুনৰ অসমতকৈ কম হয়।

আচৰ্য্যজনক কথাটো হ'ল 1970 চনত বাংলাদেশৰ মুঠ জনসংখ্যা আছিল 7.5 কোটি। কিন্তু 1974 চনত মুঠ চনসংখ্যা হয়গৈ 7.1 কোটি। যদি বাংলাদেশত সেইটো সময়তো জনসংখ্যাৰ বছৰেকীয়া বৃদ্ধিৰ হাৰ 3.1% হয় তেনেহ'লে 1974 চনত বাংলাদেশৰ জনসংখ্যা হ'ব লাগিছিল 7.7 কোটি। অৰ্থাৎ বাংলাদেশত উক্ত সময়সীমাৰ ভিতৰত 6 নিযুত মানুহ নোহোৱা হৈছিল (তথ্য বাংলাদেশৰ জনসংখ্যা গণনা)।

আমি যদি 1901 চনৰ পৰা 2011 চনলৈ অসমৰ জনসংখ্যা সম্পৰ্কে অধ্যয়ন কৰোঁ তেতিয়াও আমি ক'ব পাৰিম যে অসমৰ জনসংখ্যা বৃদ্ধিৰ অন্যতম এটা কাৰণ হ'ল বাহিৰাগত প্ৰৱেশ বা প্ৰব্ৰজন।

6.4.1। **অসমৰ অৰ্থনীতিত জন প্ৰব্ৰজনৰ প্ৰভাৱ ঃ** অসমৰ অৰ্থনীতিত জন প্ৰব্ৰজনে যথেষ্ট প্ৰভাৱ পেলোৱা দেখা যায়। বিশেষকৈ অসমত ৰাজনৈতিক আৰু আৰ্থিকভাৱে এই প্ৰব্ৰজন যথেষ্ট বিৰূপ প্ৰভাৱ পেলাইছে বুলি ক'ব পৰা যায়।

1. **জনবিস্ফোৰণ ঃ** অসমৰ অৰ্থনীতিত জনপ্ৰব্ৰজনে জনবিস্ফোৰণ হোৱাত সহায় কৰিছে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ এখন অংগ ৰাজ্য হিচাপে অসমে ভাৰতৰ শতকৰা 2.4 ভাগ ভূমি অধিকাৰ কৰি আছে। কিন্তু ভাৰতৰ মুঠ জনসংখ্যাৰ শতকৰা 2.59 ভাগ অসমত জনসংখ্যা বিৰাজমান। অন্য এটা দিশৰ পৰাও কথাটো চাব পাৰি। উত্তৰ-পূব ভাৰতৰ মুঠ জনসংখ্যাৰ 74.7 শতাংশ লোক অসমত বসবাস কৰে। পুনৰ সৰ্বভাৰতীয় হাৰত ভাৰতৰ জনসংখ্যাৰ ঘনত্ব 382 জন, প্ৰতি বৰ্গ কিলোমিটাৰত অন্যহাতেদি অসমত প্ৰতি বৰ্গ কিলোমিটাৰত

অসমৰ জনবসতিৰ ঘনত্ব 397 জন। এই সকলোবোৰ দিশৰ পৰা চালে দেখা যায় যে অসমত বৰ্তমানে জনবিস্ফোৰণে দেখা দি আছে। যাৰবাবে নিবনুৱা সমস্যাই তীব্ৰৰূপ ধাৰণ কৰি আছে।

2. **দ্ৰব্য সামগ্ৰীৰ নাটনি :** অসমত জনসংখ্যা যিমানেই নেবাঢ়ক লাগে, অসমৰ কৃষকে অত্যাধিক জনসংখ্যাক মোকাবিলা কৰিব পৰাকৈ উপযুক্ত কৃষি সম্প্ৰসাৰণ কৰিব পৰা নাই। গতিকে উৎপাদন বৃদ্ধিৰ পৰিমাণতকৈ জনসংখ্যা বৃদ্ধিৰ হাৰ বৃদ্ধি পোৱাত সামগ্ৰীৰ দাম বৃদ্ধি কৰিছে।

3. **জন গাঁঠনিৰ পৰিৱৰ্তন :** যিহেতু জনপ্ৰব্ৰজন সাধাৰণ জনসংখ্যা বৃদ্ধিৰ ফলাফল নহয়। গতিকে এনেদৰে বৃদ্ধি পোৱা জনসংখ্যাই জন গাঁঠনিৰ পৰিৱৰ্তন কৰি ঐতিহ্যপূৰ্ণ জাতিটোৰ সকলো প্ৰকাৰ বৈশিষ্ট্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। আনকি জাতিটোৰ ভাষা-সংস্কৃতিকো প্ৰবল প্ৰত্যাহবানৰ সন্মুখীন কৰাব পাৰে।

4. **ৰাজনৈতিক পৰিৱৰ্তন :** প্ৰব্ৰজনে আৰম্ভনিতে নিজ সংস্কৃতি, ভাষা, সাহিত্য সকলো বাদ দি যি দেশলৈ প্ৰব্ৰজিত হৈছে সেই দেশৰ ভাষা, সাহিত্য, সংস্কৃতি আকোঁৱালী ল'ব পাৰে। কিন্তু যেতিয়াই তেওঁলোকৰ জনসংখ্যা সবল হয় তেতিয়া প্ৰবল ভূমিকম্পৰ আগজাননী জনাই ৰাজনৈতিক পথাৰত নেতৃত্ব লৈ মূল সাহিত্য সংস্কৃতিক পাহৰি পেলাব পাৰে আৰু তেওঁলোকৰ নিজা-নিজা ভাষা, সাহিত্য, সংস্কৃতি আৰু ৰাজনৈতিক দল তথা নেতা সৃষ্টিৰ বাবে প্ৰবল জনমত গঢ়ি তুলিব প্পাৰে। আনকি পৃথক ৰাজ্য গঠনৰ দৰে অভাৱনীয় প্ৰস্তাবো গ্ৰহণ কৰিব পাৰে।

5. **ভূমিৰ নাটনি তথা বনাঞ্চল ধ্বংস :** প্ৰব্ৰজনে দেশত ভূমিৰ নাটনিৰ সৃষ্টি কৰে। ন-ন কৃষি পথাৰ গৃহ নিৰ্মাণ বা বাসস্থানলৈ ৰূপান্তৰ কৰে। ফলত কৃষি ভূমিৰ নাটনিৰ সৃষ্টি হয়। পুনৰ প্ৰব্ৰজনে বনাঞ্চলবিলাকক বাসস্থান নিমাৰ্ণৰ উপযুক্ত স্থান হিচাপে গণ্য কৰাত দেশত চৰ এলেকা আৰু বনাঞ্চলসমূহ ধ্বংস হয়। এনে কৰিলে দেশত পাৰিপাৰ্শ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব পাৰে।

6. **শৈক্ষিক প্ৰভাৱ :** প্ৰব্ৰজনকাৰীসকল সাধাৰণতে খাটি খোৱা শ্ৰেণীৰ লোক। খাদ্যৰ অভাৱ, উপাৰ্জনৰ অভাৱ, জীৱিকাৰ উৎসৰ অভাৱ, শ্ৰেণী সংগ্ৰামৰ অত্যাচাৰত থাকিব নোৱাৰি জন্মস্থান ত্যাগ কৰা লোক। এনেলোকে

আধুনিক শিক্ষা-দীক্ষাৰ জ্ঞান অৰ্জনৰ সুবিধা লাভ নকৰে। গতিকে কাম কৰি খোৱাৰ মনোভাৱেৰে শ্ৰমিক ৰূপতেই এওঁলোকে আত্মপ্ৰকাশ কৰে ফলত দেশত অশিক্ষিত লোকৰ সংখ্যা বাঢ়ে। এই চাম লোক অন্ধ সংস্কাৰৰ কবলৰ পৰা মুক্ত নহয় বাবে সমাজত নতুন-নতুন কু-সংস্কাৰ, অন্ধ সংস্কাৰৰ জন্ম দিয়াবো প্ৰৱনতা বঢ়ায়।

7. **সামাজিক অশান্তি ঃ** প্ৰব্ৰজনে সামাজিক অশান্তি বৃদ্ধি কৰিব পাৰে। প্ৰব্ৰজনকাৰীসকল সাধাৰণতে অশিক্ষিত তথা খাটিখোৱা শ্ৰেণীৰ হোৱা বাবে তেওঁলোকৰ মাজত কাজিয়া-পেচাল বেছি হ'ব পাৰে। সামাজিক কাম-কাজ বৃদ্ধি কৰিব পাৰে।

6.5। **অসমৰ বানপানী আৰু গৰাখহনীয় সমস্যা (Flood and Erosion Problem of Assam) ঃ** ভাৰতবৰ্ষৰ উত্তৰ-পূবত অৱস্থিত অসম এখন নদী মাতৃক দেশ। অসমৰ পূব দিশৰ পৰা পশ্চিম দিশলৈ প্ৰায় 720 কিলোমিটাৰ জুৰি অসমখনক প্ৰায় সোঁমাজতে দুটা ভাগত ভাগ কৰি বিশাল ব্ৰহ্মপুত্ৰ নদীখন বৈ গৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সোৱনশিৰি, গাইনদী, বগীনদী, ৰঙানদী, ডিক্ৰং, বৰনৈ ভৰলী, পাগলাদিয়া, বেকী, কালদিয়া, বৰলীঢ়া, চাউলখোৱা, মানাহ, চম্পাৱতী, সৰলভঙা, আইনদী আৰু সোণকোষ পুনৰ দক্ষিণ পাৰত লোহিত, ডিহিং, দিচাং, দিখৌ, জাঁজি, ভোগদৈ ধনশিৰি, কপিলী, দিগাৰু, কলহী, দুধনৈ, কৃষ্ণাই, জিঞ্জিৰাম ইত্যাদি কৰি অসংখ্য উপনদীয়ে ভৰি আছে। ইয়াৰ উপৰিও বৰাক নদীয়ে কাছাৰৰ মাজেদি সাগৰলৈ বৈ গৈছে।

আগেয়ে অসমৰ নদীবোৰ মুক্ত আছিল। পুনৰ অসমৰ জনসাধাৰণো কম আছিল। গতিকে নদীবিলাক মুকলি মনেৰে যেনিয়েই মন কৰে সেইফালেই বৈ যোৱাৰ সুবিধা লাভ কৰিছিল বাবে সেই সময়ত বানপানীয়ে অসমবাসীক জুৰুলা কৰিব পৰা নাছিল। কিন্তু বাৰিষা কালত ওপচি পৰা পানীয়ে পথৰুৱা মাটিক সাৰুৱা কৰাত ই অসমৰ শস্য পথাৰক যথেষ্ট উপকাৰ কৰিছিল। কিন্তু লাহে-লাহে অসমত জনসংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। যাতায়ত আৰু পৰিবহনৰ লগতে বসতিস্থলৰ সন্ধানত মানুহে নদীৰ দুয়োপাৰ মথাউৰি বান্ধি কিছুমান স্থান বসবাসৰ উপযোগী কৰাৰ লগতে পৰ্বত-ভৈয়ামত থকা গছ-গছনি কাটি তহিলং কৰাত বাৰিষা কালত পাহাৰীয়া এলেকাৰ পৰা পানীৰ ঢল বৈ অহাৰ

পানীৰ সোঁতৰ লগতে বালি-বোকা তথা খহনীয়াৰূপত অহা গছ-লতা আদিবোৰ উটি আহি নদীৰ বুকুবোৰ বহুত বাম কৰি পেলায়। ফলত অলপমান পানী বাঢ়িলেই নদীৰ পানী উফন্তি পৰিবলৈ ল'লে। বাৰিষা কালত অসমত তথা উত্তৰ-পূৰ্বাঞ্চলত হোৱা নেৰা-নেপেৰা বৰষুণৰ বাবে অসমৰ প্ৰায়বোৰ নদীৰ পানী দুয়োপাৰৰ তুলনাত ওপৰেদি বৈ যোৱাত দুয়োপাৰত বিভিষিকাৰ সৃষ্টি হয়। ইয়াৰ উপৰিও হঠাৎ কোনো অংশত মথাউৰি ভাঙি নাইবা জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি পাই ৰাস্তা, মথাউৰিৰ ওপৰেদি বাগৰি গৈ বানপানীৰ সৃষ্টি কৰে। এনেদৰে হোৱা বানপানীয়ে অসমৰ ৰাস্তা-পথ ভাঙি-চিঙি যাতায়তৰ অৱস্থা জুৰুলা কৰাৰ লগতে ঘৰ-দুৱাৰ, পশুধন আদিও ভাঙি-চিঙি উটুৱাই নিয়ে। খেতি পথাৰ বুৰাই পেলোৱাৰ লগতে কেতিয়াবা বালি আৰু পলস পেলাই এক বৃহৎ এলেকা খেতি পথাৰৰ বাবে অনুপযোগী কৰি পেলায়। পোক-পৰুৱা, গছ-বন, তৰু-লতা আদিৰ লগতে জীৱ-জন্তু আদিৰ মৃত্যু হোৱাত পৰিবেশ দূষিতকৰণ হোৱাৰ লগতে খাদ্য বস্তু আৰু খোৱা পানীৰ অভাৱে দেখা দিয়াৰ লগতে নানান বেমাৰ-আজাৰ দেখা দিয়ে।

বানপানী শুকাই গ'লে এহাতে দুৰ্গন্ধ আৰু বীজাণুৱে মানুহ-জীৱ-জন্তু বেমাৰৰ সন্মুখীন কৰে। অন্যহাতেদি নদীৰ পানী কমি যোৱাত নদীৰ দুয়োপাৰে খহনীয়াৰ সৃষ্টি কৰি নদীপৰীয়া বাসিন্দাসকলক বিপদত পেলায়। নদীৰ গৰাখহনীয়াই বৰ্তমানলৈকে অসমৰ হাজাৰ-হাজাৰ মানুহৰ ঘৰ-দুৱাৰ নদীৰ মাটিত বিলিন কৰিছে। শ-শ বিঘা খেতি ভূমি আজি নদীৰ গৰ্ভত বিলিন কৰিছে। ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই নদীৰ দুয়োপাৰৰ জিলাবোৰৰ বিস্তৃত ক্ষতি কৰাৰ লগতে নদীদ্বীপ মাজুলিৰো বিস্তৰ ক্ষতি সাধন কৰিছে।

6.5.1। **অসমৰ বানপানী আৰু গৰাখহনীয় সমস্যা সমাধানৰ উপায় ঃ** অসমৰ বানপানী আৰু খহনীয়া সমস্যা যদিও এক দীৰ্ঘম্যাদী সমস্যা তথাপি এই সমস্যাও সমাধান কৰিব নিশ্চয় পৰা যায়। তলত তাৰে কেইটামান উপায় আলোচনা কৰা হ'ল।

1. অসমৰ বানপানী সমস্যা সমাধান কৰিবলৈ হ'লে অসমৰ নদীসমূহৰ লগত ব্ৰহ্মপুত্ৰ নদীৰ বুকুভাগ খান্দি দ কৰিব পাৰিব লাগিব। ইয়াৰ কাৰণ অসমৰ বুকুয়েদি পাহাৰৰ পৰা বালি-বোকা কঢ়িয়াই আনি নদীৰ গৰ্ভ বাম কৰি তোলাত

বাৰিষা কালত নদীৰ পানী উফন্দি উঠি বানপানী হয়।

2. অসমৰ নদীবোৰৰ দুয়োপাৰে থকা মথাউৰিসমূহ নিৰ্মাণ কৰা বহুদিন হ'ল। এইবিলাক যদি পৰিকল্পিতভাৱে পুনৰ নিৰ্মাণ কৰা হয় তেনেহ'লে বানপানী সমস্যা বহুখিনি কমিব।

3. অসমৰ নদীসমূহৰ গতিপথ বৰ বেঁকা-বেকি। ফলত নদীৰ সোঁতে নদীৰ দুয়োপাৰত খুন্দিয়াই মথাউৰি ভাঙি বানপানীৰ লগতে খহনীয়াৰ সৃষ্টি কৰে। এই সমস্যাৰ পৰা উদ্ধাৰ পাবলৈ দুয়োপাৰে গাইড বান্ধ সৃষ্টি কৰি নদীৰ গতি পোন কৰাৰ দৰকাৰ। এনে কৰিলে এফালে নদীৰ বুকুখন দ হ'ব আৰু গৰাখহনীয়া কমি যাব।

4. চতুৰ্থতে, অসমৰ নদীবোৰ দুয়োকাষে গছ-গছনি ৰুলে এহাতে প্ৰাকৃতিক সৌন্দৰ্য্য বৃদ্ধি পাব, অন্যহাতেদি গছৰ শিপাই নদীৰ পাৰৰ মাটি খামুচি ধৰাত গৰাখহনীয় কম হোৱাৰ সম্ভাৱনা থাকিব।

5. অসমৰ নদীৰ পানী জলাধাৰ সৃষ্টিৰ যোগেদি বাৰিষা কালত ভেটি ৰাখি প্ৰয়োজনীয় সময়ত কৃষি পথাৰলৈ বোৱাই দি জলসিঞ্চন ব্যৱস্থা অতি সহজে কৰিব পৰা যায়। এনে কৰিলে এহাতে বানপানীৰ প্ৰকোপ কমিব আৰু আনহাতেদি জলসিঞ্চনৰ ব্যৱস্থাৰে কৃষি পথাৰৰ উৎপাদন বঢ়াব পৰা যায়।

6. অসমৰ নদীক পৰিকল্পিতভাৱে ব'বলৈ দি মাছ উৎপাদনৰ প্ৰাকৃতিক উৎস হিচাপে সহজে গঢ়ি তুলিব পাৰি। আগেয়ে অসমৰ নদীত বৃহৎ-বৃহৎ মাছে বসতি কৰিছিল। এতিয়াও অসমৰ সোৱনশিৰিৰ বুকুত বহুকেইটা শিহুৱে নদীৰ সৌন্দৰ্য্য বৃদ্ধি কৰি আছে।

7. খৰালি কালত অসমৰ নদীত অজস্ৰ দেশী-বিদেশী চৰাই কাকলিত কণ্ঠই মানুহৰ মন-প্ৰাণ হৰি নিয়ে। বিভিন্ন ৰঙৰ পখীয়ে মানুহৰ দুয়ো নয়ন তীপ্ত কৰিব পাৰে। গতিকে এনে নদীয়ে যাতে বাৰিষা কালতো শান্ত ৰূপ ধাৰণ কৰে তাৰবাবে নদীৰ গতিত বাধাৰ সৃষ্টি নকৰাকৈ মাথোন দুয়োপাৰে আমনি নকৰাকৈ জলাধাৰ বৈ থাকিবলৈ দিয়া উচিত।

6.6 । **অসমৰ কৃষি শ্ৰমিকৰ সমস্যা (Problems of Agriculture Labours) ঃ** অসম এখন কৃষি প্ৰধান দেশ। দেশখনৰ সৰহসংখ্যক লোকেই

কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়েই জীয়াই থাকে। অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালয়, অসম 2011–12 ৰ মতে অসমৰ মুঠ জনসংখ্যাৰ শতকৰা 75 জন মানুহ প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে কৃষিৰ লগত জড়িত। পুনৰ অসমৰ কৰ্মজীৱি লোকসকলৰ প্ৰায় 53 শতাংশ লোক কৃষিৰ লগত জড়িত হৈ থাকে। পুনৰ অসমৰ ৰাজ্যিক আয়ৰ 19 শতাংশৰ পৰা 22 শতাংশৰ ভিতৰত কৃষি খণ্ডৰ পৰা আহে। দেশখনৰ আভ্যন্তৰীণ কৃষি খণ্ডৰ পৰাই এটা সময়লৈকে দেশখনৰ খাদ্য সামগ্ৰীৰ চাহিদা পূৰণ কৰিব পৰা গৈছিল। অৱশ্যে বৰ্তমান সময়ত মাজে সময়ে দেখা দিয়া প্ৰাকৃতিক দুৰ্যোগ, কৃষকৰ অনীহা, বিজ্ঞানসন্মত কৃষি পদ্ধতিৰ অভাৱ ইত্যাদিৰ কাৰণত দেশৰ খাদ্য বস্তুৰ চাহিদা পূৰণত দেশৰ কৃষকসকলে সমৰ্থৱান নোহোৱা হ'ল। খাদ্য বস্তুৰ বাহিৰেও অসমৰ কৃষকসকলে চাহপাত, মৰাপাট, কুঁহিয়াৰ, ধপাত, আনাৰস, অমিতা আৰু অন্যান্য উদ্যান শস্যৰ খেতি বৰ্ধিত হাৰত কৰিবলৈ লোৱা দেখা পোৱা যায়।

যদিও অসমৰ সৰহসংখ্যাক ব্যক্তি কৃষিৰ লগত জড়িত; অৰ্থাৎ অসমৰ কৃষি শ্ৰমিকৰ অৱদান যথেষ্ট বেছি তথাপি অসমৰ কৃষি কাৰ্য্যৰ লগত জড়িত এই শ্ৰমিকসকলে বিভিন্ন সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা দেখা পোৱা যায়। এই সমস্যাসমূহ হ'ল—

1. **কৃষিৰ উৎপাদন ক্ষমতাৰ হাৰ (Trends of Agricultureal Productivity) ঃ** অসমৰ কৃষি শ্ৰমিকসকলে সন্মুখীন হোৱা এটা প্ৰধান কাৰণ হ'ল কৃষিৰ নিম্ন উৎপাদন ক্ষমতা। পৃথিৱী তথা ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত অসমৰ ভূমিত কৃষিৰ উৎপাদন ক্ষমতা যথেষ্ট কম। যিটো সময়ত এজন কৃষকৰ গড় উৎপাদন ক্ষমতা মাথোন 500 টকা সেই একেটা সময়তে বৃহৎ উদ্যোগত কাম কৰা শ্ৰমিকৰ গড় উৎপাদন ক্ষমতা কমেও 1700 টকা। ইয়াৰ পৰাই বুজিব পৰা যায় যে কৃষিখণ্ডৰ উৎপাদন ক্ষমতা যথেষ্ট কম তাক বুজিব পৰা যায়।

2. **আওঁপুৰণি কৃষি পদ্ধতি ঃ** অসমৰ কৃষকসকলে সন্মুখীন হোৱা এটা সমস্যা হ'ল আওঁপুৰণি কৃষি পদ্ধতি। প্ৰায়বোৰ কৃষকে খেতিৰ প্ৰধান সজুঁলি হ'ল এহাল গৰু, এটা নাঙল, জুৱলি, এখন মৈ, এখন কোৰ ইত্যাদি। এনেবোৰ প্ৰাথমিক সজুঁলিয়ে অসমত যে কোনো কৃষি বিপ্লৱৰ সূচনা কৰিব পৰা নেযায় সেইয়া চিৰসত্য। পুনৰ আধুনিক বিজ্ঞানসন্মত কৃষি প্ৰণালী প্ৰয়োগৰ বাবে যি

পৰিমাণ মূলধনৰ প্ৰয়োজন সেইয়া যোগাৰ কৰাটো এইসকল কৃষকৰ ক্ষেত্ৰত সম্ভৱ নহয়। দ্বিতীয়তে আধুনিক কৃষি পদ্ধতিৰ বাবে যিমানখিনি ব্যৱহাৰিক জ্ঞানৰ প্ৰয়োজন সেইয়া আমাৰ গ্ৰাম্য এলেকাৰ সহজ-সৰল খেতিয়কসকলে সংগ্ৰহ কৰাও সম্ভৱ নহয়। ফলত সাতাম পুৰুষীয়া কৃষি পদ্ধতি আৰু আহিলা পাতিৰ ব্যৱহাৰেই অসমৰ খেতিয়কসকলৰ ক্ষেত্ৰত উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত এটা ডাঙৰ বাধাস্বৰূপ হৈ পৰিছে।

3. **ক্ষুদ্ৰ খণ্ডিত কৃষি পথাৰ ঃ** অসমৰ কৃষি শ্ৰমিকসকলৰ দ্বিতীয়টো সমস্যা হ'ল অসমৰ কৃষি ভূমিৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ আকাৰৰ বংশানুক্ৰমে উত্তৰাধিকাৰী সূত্ৰে পোৱা মাটি পৰিয়ালৰ সদস্যসকলৰ মাজত ভাগ বতৰা কৰোঁতে-কৰোঁতে প্ৰতিজন কৃষকৰ নামত থকা কৃষি ভূমিৰ আকাৰ অতি ক্ষুদ্ৰ হয়। একোজন কৃষকৰ মাটি সৰু-সৰু খণ্ডৰূপে বিভিন্ন স্থানত সিঁচৰিত হৈ থকা বাবে তেনে ভূমি একগোট কৰি বহল ভিত্তিত, যন্ত্ৰৰ সহায়েৰে আধুনিক পদ্ধতিত কৃষিকাৰ্য্য কৰিব পৰা নেযায়। গতিকে শ্ৰম শক্তিৰ প্ৰয়োগৰ কোনো বিকল্প কৃষি কাৰ্য্য ব্যৱহাৰ কৰিব পৰা নেযায়।

4. **ভূমি ব্যৱস্থা ঃ** অসমত এটা অতি আচৰিত যে অসমৰ কৃষি শ্ৰমিকসকলৰ নিজা কৃষি ভূমি নাই। এওঁলোকৰ এক বুজন সংখ্যকে ভূমিৰ মালিকৰ পৰা আধি-খোৱা বন্দোৱস্তত মাটি লৈ কৃষি কাৰ্য্য কৰিব লগা হয়। গতিকে উৎপাদনৰ এক বুজন অংশই মাটিৰ মালিক পক্ষক প্ৰদান কৰিব লগা হোৱাত কৃষকসকলৰ আৰ্থিক অৱস্থা পুতৌ লগা হৈয়ে ৰয়। পুনৰ মাটিৰ মালিক পক্ষৰ অনুমতি অবিহনে কোনো খেতিয়কে নিজৰ মতৰ ওপৰত বিশ্বাস ৰাখি উৎপাদন কাৰ্য্য চলাব নোৱাৰে বাবে মন নেথাকিলেও মনৰ বিপৰীতে হ'লেও উৎপাদন কাৰ্য্যত চলাই যাব লগা হয়।

5. **কৃষকৰ অৱস্থা ঃ** অসমৰ কৃষি শ্ৰমিকসকলৰ আৰ্থিক অৱস্থা অতি পুতৌ লগা। এওঁলোকৰ অধিকাংশ লোকেই দৰিদ্ৰ, অশিক্ষিত আৰু শোষিত শ্ৰেণীৰ লোক। এইসকল লোকে দেশৰ জনসাধাৰণৰ বাবে অন্নৰ যোগান ধৰে যদিও এওঁলোকৰ নিজৰেই দুবেলা ভাতৰ যোগান কৰা কঠিন হৈ পৰে। অসমৰ কৃষি শ্ৰমিকসকলক অধ্যয়ন কৰিলে দেখা পোৱা যায় যে এওঁলোকৰ সৰহ সংখ্যকৰে দুবেলা দুমুঠি ভাত, পিন্ধিবলৈ বস্ত্ৰ, থাকিবলৈ ঘৰৰ অভাৱ দেখা যায়। নিজৰ

সংসাৰখনৰ যাৱতীয় দ্বায়িত্ব পালন কৰিবলৈ গৈ ডিঙিলৈকে ধাৰত পোত খাই থকা অসহায় কৃষি শ্ৰমিকসকলে কৃষিৰ উন্নতিৰ বাবে নতুন কোনো বিজ্ঞানসন্মত পদ্ধতি গ্ৰহণৰ কথা চিন্তাই কৰিব নোৱাৰে। কিয়নো দেশৰ বেংক, চৰকাৰ নাইবা সমবায় খণ্ডসমূহে আগবঢ়োৱা ঋণ গ্ৰহণৰ প্ৰক্ৰিয়াটো জটিল হোৱা বাবে এনে খেতিয়কে ঋণৰ বাবে মহাজনসকলৰ মুখাপেক্ষী হৈ থাকিব লগা হয়। এনে ঋণ গ্ৰহণৰ যোগেদি কৃষকসকল ভৱিষ্যতত কঙাল হৈ পৰিব লগাত পৰে।

6. **উন্নত বীজ, আহিলাপাতি আৰু সাৰৰ অভাৱ ঃ** অসমৰ কৃষি শ্ৰমিকসকলে যুগ-যুগ ধৰি আওঁপুৰণি কৃষি পদ্ধতিকে ব্যৱহাৰ কৰি আহিছে। প্ৰকৃততে কৃষিখণ্ডত বৈপ্লৱীক পৰিৱৰ্তন আনিবলৈ হ'লে কৃষি কাৰ্য্যত উন্নত বীজ, উন্নত যন্ত্ৰপাতিৰ ব্যৱহাৰ, পানীৰ যোগান, সাৰৰ যোগান, প্ৰয়োজন মতে কীট-প্ৰতংগৰ পৰা ৰক্ষা আদি কাৰ্য্যবোৰ সুচাৰুৰূপে কৰিব লগা হয়। অসমৰ কৃষকসকলৰ কৃষি ভূমি ক্ষুদ্ৰ-ক্ষুদ্ৰ হোৱাত টেক্টৰ ব্যৱহাৰৰ যোগেদি হালবোৱা, জলসিঞ্চনৰ ব্যৱহাৰ কৰি পানীৰ যোগান ধৰা, সাৰৰ যোগান ধৰা, ভূমি সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা অসম্ভৱ হৈ পৰে। ফলত প্ৰয়োজনীয় যত্ন আৰু প্ৰতিপালনৰ অভাৱত কৃষকৰ মূল বন্ধু গৰুহালৰে অৱস্থা সংকটজনক হৈ পৰে। তেনে অৱস্থাত কৃষি কাৰ্য্যত আধুনিক পদ্ধতি ব্যৱহাৰৰ কথা খেতিয়কসকলে ভাৱিবকে নোৱাৰে।

7. **মাটিৰ উৎপাদিকা শক্তিৰ হ্ৰাস ঃ** অসমৰ কৃষকসকলে একেডোখৰ ভূমিক প্ৰতি বছৰে কৃষি কাৰ্য্যত ব্যৱহাৰ কৰাৰ বাবদ মাটিৰ উৎপাদিকা শক্তি দিনক-দিনে হ্ৰাস পায়। পুনৰ এনে মাটিৰ উৎপাদিকা শক্তি বৃদ্ধি কৰিবলৈ আধুনিক কৃষি পদ্ধতি ব্যৱহাৰ কৰাও সম্ভৱ নহয়। এহাতে জনসংখ্যা বৃদ্ধিৰ বাৰে খাদ্য সামগ্ৰীৰ নাটনিয়ে দেখা দিয়া একেডোখৰ ভূমিক বাৰে-বাৰে কৃষি কাৰ্য্যত ব্যৱহাৰ কৰা হয়, অন্যহাতেদি বিজ্ঞানসন্মত কৃষি কাৰ্য্য প্ৰয়োগৰ অসুবিধাই মাটিৰ উৎপাদিকা শক্তি হ্ৰাস পায়।

8. **বতৰৰ ওপৰত নিৰ্ভৰশীলতা ঃ** অসমৰ কৃষি শ্ৰমিকসকলৰ অন্যতম সমস্যা হ'ল তেওঁলোকে কৃষিকাৰ্য্য কৰিবলৈ যাওঁতে সদায়েই বতৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। আমাৰ দেশৰ বতৰবো সদায় নিশ্চয়তা নেথাকে। কেতিয়াবা যেতিয়া বৰষুণ লাগে তেতিয়াই বৰষুণ দিয়ে আৰু যেতিয়া ৰ'দ

লাগে তেতিয়াই ৰ'দ দিয়ে। ফলত কৃষি বৰ ধুনীয়া হয়। অন্যহাতেদি কেতিয়াবা বৰষুণৰ প্ৰয়োজন সময়ত ৰ'দ দিয়ে আৰু ৰ'দৰ প্ৰয়োজনৰ সময়ত বৰষুণৰ অত্যাচাৰ বাঢ়ে এনে অৱস্থাত খেতিয়কৰ নাজল-নাথল অৱস্থাৰ সৃষ্টি হয়, অনাবৃষ্টি, বতাহ, বানপানী আদিৰদ্বাৰা খেতি পথাৰ নষ্ট হৈ খেতিয়কসকল সৰ্বশ্ৰান্ত হ'ব লগাত পৰে।

9. **বহুতৰপীয়া কৃষিৰ অভাৱ ঃ** অসমৰ কৃষি শ্ৰমিকসকলে একেডোখৰ ভূমিক বছৰৰ সকলো সময়ত বিভিন্ন উৎপাদন কাৰ্য্যত ব্যৱহাৰ নকৰে। অসমৰ ভূমিক বছৰত মাথোন এবাৰহে এটা কৃষি কাৰ্য্যত ব্যৱহাৰ কৰা হয়। বাকীখিনি সময় কৃষি পথাৰ এনেয়ে পৰি থাকে। কথা হ'ল দেশৰ কৃষি শ্ৰমিকসকলৰ আৰ্থিক অৱস্থাৰ পৰিৱৰ্তন হ'লে দেশৰ কৃষি ভূমিক বছৰৰ সকলো সময়তে কিবা নহয় কিবা উৎপাদন কাৰ্য্যত ব্যৱহাৰ কৰি ৰাখিব লাগিব। তেতিয়াহে উৎপাদনৰ পৰিমাণ বাঢ়ি খেতিয়কৰ আৰ্থিক অৱস্থাৰ উন্নতি হ'ব।

10. **ভূমিস্খলন আৰু অন্যান্য কাৰণ ঃ** অসমৰ খেতিয়কসকলে সন্মুখীন হোৱা অন্য এটা প্ৰধান সমস্যা হ'ল ভূমিস্খলন সমস্যা। অসমত থকা অসংখ্য নদ-নদীয়ে প্ৰতি বছৰে অজস্ৰ খেতিয়কৰ কৃষি ভূমি গৰা-খহনীয়া সৃষ্টিৰে নদীৰ বুকুত বিলীন কৰি দিয়ে। বহু কৃষকৰ সপোনৰ ঘৰখন, সপোনৰ কৃষি পথাৰ চকুৰ পলকতে খহনীয়া, পকনীয়াত চুৰমাৰ কৰি পেলায়। এনেদৰেই প্ৰাকৃতিক দুৰ্য্যোগৰ বলি হৈ প্ৰতি বছৰে হাজাৰ-হাজাৰ শ্ৰমিক পথৰ ভিকহু হ'ব লগাত পৰে।

6.7। **অসম কৃষি শ্ৰমিকৰ অৱস্থাৰ উত্তৰণৰ কেইটামান উপায় ঃ** বৰ্তমানৰ অৱস্থা বিদ্যমান হৈ থাকিলে কৃষকসকলৰ অৱস্থা সদায়েই পিছ পৰা হৈ ৰ'ব। সেইয়ে দেশৰ সৰ্বস্তৰৰ জনসাধাৰণৰ লগতে কৃষকসকলৰো উন্নতি সাধন কৰিবলৈ হ'লে দেশৰ চৰকাৰ, জনসাধাৰণ আৰু কৃষকসকলে নিজেই কিছুমান কাম কৰা দৰকাৰ।

1. **কৃষিজাত সামগ্ৰীৰ নিম্নতম উদগনিমূলক মূল্য নিৰ্দ্ধাৰণ ঃ** আমাৰ দেশৰ কৃষকসকলে তেওঁলোকৰ ভাগ্য যাতে দালালসকলৰ ওচৰত আত্মসমৰ্পন কৰিব লগা নহয় তাৰবাবে আমাৰ দেশৰ চৰকাৰে কৃষি সামগ্ৰীসমূহৰ নিম্নতম উদগনি মূল্য নিৰ্দ্ধাৰণ কৰি দিয়া দৰকাৰ। এনে কৰিলে কৃষি-শ্ৰমিকসকলে অন্ততঃ

সামগ্ৰীৰ বিনিময়ত উচিত মূল্য লাভ কৰি কৃষি কাৰ্য্যত লিপ্ত হৈ আত্ম সন্তুষ্টি লাভ কৰিব পাৰে।

2. **কৃষি সামগ্ৰীৰ বজাৰৰ সম্প্ৰসাৰণ ঃ** আমাৰ দেশত দীৰ্ঘদিন সাঁচি ৰাখিব নোৱাৰা কৃষি কাৰ্য্য যেনে- শাক-পাচলিৰ উপযুক্ত বজাৰৰ অভাৱত পানীৰ দামত বিক্ৰী কৰিব লগা হয় নাইবা নষ্ট হৈ যায়। গতিকে এনে সামগ্ৰীৰ ক্ষেত্ৰত কৃষকে যাতে উপযুক্ত বজাৰ লাভ কৰিব পাৰে তাৰবাবে চৰকাৰৰ যোগেদি পৰিবহন ব্যৱস্থাৰে, যোগাযোগৰ আৰু বজাৰৰ সু-ব্যৱস্থা কৰিব পাৰিলে কৃষকৰ দুপইচা দেখাৰ সৌভাগ্যই দেখা দিয়ে।

3. **কৃষি সামগ্ৰী সঞ্চয়ৰ বাবে শীতলীকৰণ ঘৰৰ ব্যৱস্থা ঃ** অসমৰ কৃষি শ্ৰমিকসকলে উৎপাদন কৰা সামগ্ৰীসমূহ যাতে নষ্ট নোহোৱাকৈ বহুদিন ধৰি ৰাখিব পৰা যায় তাৰ বাবে ঠায়ে-ঠায়ে শীতলীকৰণ গৃহ নিৰ্মাণ কৰা দৰকাৰ। এন কৰিলে যিবিলাক বস্তু নষ্ট হৈ যোৱাৰ সম্ভাৱনা থাকে যেনে- আলু, পিয়াজ, বিলাহী, ফলহাৰ ইত্যাদি তেনে বস্তু কিছুদিনলৈ সংৰক্ষণ কৰি চাহিদা বৃদ্ধি পোৱাৰ সময়ত বজাৰলৈ এৰি দিব পাৰি।

4. **কৃষি ভূমিৰ পুনৰ বিতৰণ ঃ** অসমৰ কৃষকসকলৰ ভূমিসমূহৰ যোগেদি যাতে বিজ্ঞানসন্মতভাৱে আধুনিক পদ্ধতিৰে খেতি কৰিব পৰা যায় তাৰ বাবে কৃষি ভূমি পুনৰ বিতৰণ কৰা দৰকাৰ হ'ল যাতে প্ৰতিজন খেতিয়কৰ ভূমি কম-কম পৰিমাণে বহু কেই ঠাইত থকাৰ বিপৰীতে একে ঠাইতে থাকে। এনে কৰিলে জলসিঞ্চন, যন্ত্ৰৰ সহায়েৰে চাহ কৰা, সাৰৰ যোগান, উন্নত শষ্য ৰোপন আদি কাৰ্য্যবোৰ কৰা সহজ হ'ব বাবে কৃষিৰ উৎপাদন বাঢ়ে আৰু শ্ৰমিকৰ অৱস্থা ভাল হয়।

5. **ঋণৰ যোগান ঃ** অসমৰ কৃষি শ্ৰমিকসকলে কৃষি কাৰ্য্যত যাতে সময় মতে টেক্টৰৰ ব্যৱহাৰ, বীজৰ ব্যৱহাৰ, সাৰৰ ব্যৱহাৰ, জলসিঞ্চনৰ ব্যৱহাৰ, কীট-নাশক ঔষধৰ যোগান আদি লাভ কৰিব পাৰে তাৰবাবে মূলধনৰ প্ৰয়োজন হ'লে অতি অতি সহজে যাতে ঋণ গ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি দেশৰ চৰকাৰ, সামাজিক অনুষ্ঠান, বেংক, বিত্তীয় প্ৰতিষ্ঠান আদিয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

6. **সমবায় খণ্ড গঠন ঃ** অসমৰ কৃষি শ্ৰমিকসকলৰ ভূমিৰ পৰিমাণ তেনেই নগণ্য আৰু ক্ষুদ্ৰ-ক্ষুদ্ৰ আকাৰত কেইবা ঠাইতো সিঁচৰিত হৈ থাকে। গতিকে

যদি ওচৰ চুবুৰীয়াকৈ ভূমি থকা কৃষকসকলে সমবায় স্থাপন কৰি কৃষি কাৰ্য্য আৰম্ভ কৰে, তেনেহ'লে আধুনিক কৃষি পদ্ধতিৰে কৃষি কাৰ্য্য সম্পাদন কৰি সুফল লাভ কৰিব পাৰি।

**7. প্ৰশিক্ষণৰ ব্যৱস্থা ঃ** অসমৰ কৃষি শ্ৰমিকসকলক কৃষি সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান কৰিলে বৈজ্ঞানিক পদ্ধতিৰে কৃষি কৰাৰ নীতিসমূহ জানিব পাৰিব আৰু উন্নত পদ্ধতিৰে কৃষি কাৰ্য্য কৰিবলৈ প্ৰেৰণা পাব। বিশেষকৈ উদ্যান শস্যৰ ক্ষেত্ৰত প্ৰশিক্ষণৰ ব্যৱস্থাই কৃষকসকলৰ উৎপাদন ক্ষমতা বহু পৰিমাণে বৃদ্ধি কৰিব পাৰে।

**8. কৃষকৰ স্বাস্থ্য আৰু গৃহৰ উন্নতিকৰণ ঃ** অসমীয়াত এষাৰ কথা আছে- "স্বাস্থ্যই পৰম ধৰ্ম"। উন্নত স্বাস্থ্য আৰু বাসস্থানে মানুহক দীৰ্ঘায়ু কৰে। চিন্তাশক্তিৰ উন্নতি ঘটায়। সেয়েহে দেশৰ চৰকাৰে কৃষকসকলৰ গৃহ আৰু স্বাস্থ্যৰ উন্নতিকৰণৰ বাবে যত্ন কৰা উচিত। বৰ্তমানত আমাৰ দেশৰ চৰকাৰে ইন্দিৰা আৱাস যোজনা, ঋণ তথা ৰাজ সাহাৰ্য্য আঁচনি, সমগ্ৰ আৱাস আঁচনি, গ্ৰাম্য গৃহ নিৰ্মাণৰ নতুনত্ব আঁচনি (RBC) আদি অসংখ্য আঁচনি ৰূপায়ণ কৰি আছে আৰু ইয়াৰ দুখীয়া কৃষকসকলো উপকৃত হৈছে।

**9. ক্ষুদ্ৰ সঞ্চয় আঁচনি ঃ** আমাৰ দেশৰ কৃষি শ্ৰমিকসকলৰ মাজত সঞ্চয় আঁচনিৰ যাতে প্ৰসাৰতা কৰিব পাৰি তাৰ প্ৰতি ৰাষ্ট্ৰীয়কৃত বেংক আৰু বীমাকৃত প্ৰতিষ্ঠানবোৰে যত্ন লোৱা উচিত। এনে কৰিলে শ্ৰমিকসকলৰ মূলধন গঠন আৰু জীৱনৰ নিৰাপত্তা বাঢ়ে আৰু ভৱিষ্যত কৰ্ম আঁচনি যুগুত কৰাত সহায়ক হয়।

**10. আত্ম সহায়ক গোট গঠন ঃ** অসমৰ কৃষি শ্ৰমিকসকলে আত্ম সহায়ক গোট গঠনৰ যোগেদি তেওঁলোকৰ মূলধন গঠন সৰল কৰিব পাৰে। বেংক আৰু চৰকাৰৰ পৰা বিশেষ আঁচনিৰ সুবিধা লৈ উন্নত মানদণ্ডৰ উৎপাদনীয় ব্যৱস্থা গঢ়ি তুলিব পাৰে। শক্তিশালী সংগঠন গঠনৰ জড়িয়তে উৎপাদন সামগ্ৰীৰ চাহিদা বৃদ্ধিৰ বাবে বজাৰৰ সম্প্ৰসাৰণ কৰিব পাৰে।

ওপৰত উল্লেখ কৰা পদ্ধতিসমূহৰ যোগেদি কৃষি-শ্ৰমিকৰ সমস্যাসমূহ কিছু পৰিমাণে হ'লেও লাঘৱ কৰিব পৰা যায়।

**6.8। ছদ্মবেশী নিবনুৱা (Disguised Unemployment) ঃ** যিসকল

লোক কোনো কৰ্ম সংস্থাপন বা উৎপাদন কাৰ্য্যত জড়িত হৈ থাকে কিন্তু মুঠ উৎপাদনলৈ তেওঁলোকে কোনোধৰণৰ অৱদান আগবঢ়াব নোৱাৰে তেনে লোকসকলকে ছদ্মবেশী নিবনুৱা আখ্যা দিয়া হয়। অসম তথা ভাৰতৰ গ্ৰামাঞ্চলবিলাকত জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক হয়। কিন্তু জনসংখ্যা বাঢ়িলেও কৃষি ভূমি সীমিত হৈ থকাত অতিৰিক্ত শ্ৰম শক্তিৰ বাবে অতিৰিক্ত কৃষি ভূমিৰ অভাৱে দেখা দিয়ে। আমাৰ গ্ৰাম্য এলেকাবোৰত বৰ্তমানেও যৌথ পৰিয়াল ব্যৱস্থা চলি আছে। এনে পৰিয়ালত সাধাৰণতে কামৰ কোনো বিভাজন নেথাকে, গতিকে পৰিয়ালৰ সকলো লোক একে জাতীয় উৎপাদন কাৰ্য্যত নিয়োজিত হৈ পৰে। কোনো উৎপাদন কাৰ্য্যত যিমান পৰিমাণ শ্ৰমিকৰ প্ৰয়োজন বাস্তৱত তাতোতকৈ বহু বেছি শ্ৰমিক নিয়োজিত হৈ থাকে। ধৰাহওক আগতে এটা পৰিয়ালৰ সকলোখিনি কৃষি ভূমিত ধান খেতি কৰিবলৈ এহাল গৰু, এজন হালোৱা আৰু এগৰাকী ৰোৱনীৰ প্ৰয়োজন। এতিয়া যদি এহাল গৰু, দুজন হালোৱা, দুগৰাকী ৰোৱনী ব্যৱহাৰ কৰা হয় তেতিয়াও মুঠ উৎপাদন একে থাকিলে পিছৰ জন হালোৱা আৰু পিছৰ গৰাকী ৰোৱনীৰ উৎপাদন ক্ষমতা শূণ্য হয়। এনে শ্ৰমিককে ছদ্মবেশী নিবনুৱা বোলা হয়। উল্লেখযোগ্য যে ছদ্মবেশী নিবনুৱাক কৃষি বা উৎপাদন কাৰ্য্যৰ পৰা আঁতৰাই আনিলেও মুঠ উৎপাদনৰ অলপো কম-বেছি নহয়। বৰঞ্চ কেতিয়াবা উৎপাদন ব্যয় কম হোৱাৰহে আশংকা থাকে।

যিহেতু ছদ্মবেশী নিবনুৱাই দেশত কোনো উৎপাদন বৃদ্ধি ঘটাব নোৱাৰে গতিকে এনে নিবনুৱা দেশৰ আনসকল নিবনুৱাৰ দৰেই আৰ্থিক উন্নয়নৰ অন্তৰায়ৰূপত দেখা দিব পাৰে। গতিকে অন্যান্য প্ৰকাৰৰ নিবনুৱা সমস্যা সমাধান কৰাৰ দৰেই ছদ্মবেশী নিবনুৱা সমস্যাও সমাধান কৰা দৰকাৰ। তলত এনে সমস্যা সমাধানৰ কেইটামান উপায় আলোচনা কৰা হ'ল। সেইয়া হ'ল—

(1) কৃষিৰ আধুনিকীকৰণ।

(2) গ্ৰামীণ উদ্যোগৰ সম্প্ৰসাৰণ।

(3) গ্ৰাম্য এলেকাৰ উন্নয়ন।

(4) শ্ৰম উদ্বৃত উৎপাদন পদ্ধতিৰ ব্যৱহাৰ।

(5) থলুৱা সম্পদৰ ব্যৱহাৰ।

(6) জনসংখ্যা নিয়ন্ত্ৰণ।

(7) বিত্তৰ যোগান।

(8) নিয়োগ নীতিৰ পৰিৱৰ্তন।

(9) বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ সঁহাৰি আৰু

(10) নিবনুৱাৰ মানসিক পৰিৱৰ্তন।

এইসমূহ উপায় অৱলম্বন কৰি অসমৰ ছদ্মবেশী নিবনুৱাৰ সতে আন ধৰণৰ নিবনুৱা সমস্যাও সমাধান কৰিব পাৰি।

6.9। **অসমৰ সীমামূৰীয়া স্থানৰ উন্নয়ন (Border Area Development)** ঃ কোনো এখন দেশে আৰ্থিক উন্নয়নৰ গতি ত্বৰান্বিত কৰিবলৈ বহুকেইটা দিশত উন্নয়ন সাধন কৰিব লাগিব যদিও মূলতঃ দুটা সুবিধা নেথাকিলে অৰ্থনীতি এখন কেতিয়াও সুস্থিৰ হ'ব নোৱাৰে। সেইয়া হ'ল—

(1) দেশখনৰ চাৰিওসীমা সুৰক্ষিত হ'ব লাগিব।

(2) দেশখনৰ আভ্যন্তৰীণ আইন-শৃংখলা সুনিয়ন্ত্ৰিত হ'ব লাগিব।

আমি যদি অসমৰ চাৰিওসীমাৰ দিশটো অধ্যয়ন কৰোঁ, তেন্তে দেখা পাম যে বৰ্তমানলৈকে অসমৰ ভৌগোলিক চাৰিসীমা সঠিকভাৱে নিৰূপন কৰা হোৱা নাই। অসমৰ ধুবুৰী জিলাৰ সতে বাংলাদেশৰ সীমান্ত আজিও সুৰক্ষিত নহয়। পুনৰ নগাভূমি আৰু অৰুণাচল প্ৰদেশৰ জনসাধাৰণৰ লগত অসমৰ সীমামূৰীয়া এলেকাৰ জনসাধাৰণৰ মাজত প্ৰায়ে ভূমি বিবাদ সৃষ্টি হৈ কাজিয়া-পেচাল, ঘৰ-দুৱাৰ ধ্বংস, কৃষি ধ্বংস আদি কাৰ্য্যবোৰ সংঘটিত হোৱা দেখা যায়। সেয়েহে আমি ক'ব পাৰো যে বাংলাদেশৰ লগত অসমৰ আন্তজাতিক সীমা যেনেদৰে বৰ্তমানতো সুৰক্ষিত নহয়, নগাভূমি, অৰুণাচল প্ৰদেশ আদিৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰদেশসমূহৰ লগতো অসমৰ সীমা আজিকোপতি সুৰক্ষিত হোৱা নাই।

যিহেতু দেশ এখনৰ সীমান্ত সুৰক্ষাৰ অবিহনে আৰ্থিক উন্নয়ন নিশ্চিত কৰা অসম্ভৱ সেয়েহে অসমবাসীয়ে অসমৰ চাৰিও সীমা নিশ্চিতকৰণ সঠিকভাৱে ৰূপায়ন কৰিবলৈ দেশৰ চৰকাৰক বাৰম্বাৰ অনুৰোধ জনাই আহিছে। জনমতৰ প্ৰৱল দাবীৰ সমৰ্থনত অসম চৰকাৰৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে "সীমান্ত

এলেকাৰ বিভাগ (Border Area Department)" নামেৰে এখন আইন (Act) প্ৰস্তুত কৰি উক্ত বিভাগটোৰ জৰিয়তে অসমৰ 5 ৰ পৰা 10 কিলোমিটাৰ ব্যাসাৰ্ধৰ সীমান্ত অঞ্চলৰ জনসাধাৰণে ভোগ কৰি থকা সমস্যাসমূহ অধ্যয়ন কৰি নিৰ্দ্ধাৰণ কৰিবলৈ সীমান্ত এলেকা বিভাগক দ্বায়িত্ব অৰ্পন কৰে। এই বিভাগটোৱে এহাতে সীমান্ত এলেকাত বসবাস কৰা লোকসকলৰ সমস্যা আৰু অসুবিধাখিনি অধ্যয়ন কৰে, অন্যহাতেদি সীমান্ত এলেকাত বসবাস কৰা লোকৰ মৌলিক প্ৰয়োজনখিনি পূৰণ কৰিবলৈ প্ৰচেষ্টা হাতত লয়।

সীমান্ত এলেকাৰ বিভাগটোৱে সীমান্ত অঞ্চল উন্নয়ন আঁচনি প্ৰস্তুত কৰে। অসমৰ সীমান্ত এলেকাত থকা 7 খন জিলাৰ মুঠ 25 টা সীমান্ত খণ্ড (Border Block) ৰ যোগেদি এনে আঁচনি প্ৰস্তুত কৰা হয়। প্ৰথমতে প্ৰতিটো খণ্ড (Block) ই নিজ-নিজ এলেকাৰ সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলে ভোগ কৰি অহা অসুবিধাবোৰ অধ্যয়ন কৰে। লগতে এই লোকসকলক জীৱন-যাপন কৰিবলৈ প্ৰয়োজন হোৱা দিশবোৰ পূৰণ কৰিবলৈ কি কি কাৰ্য্য ব্যৱস্থা হাতত লোৱা দৰকাৰ তাক নিৰীক্ষণ কৰে। প্ৰতিটো সীমান্ত খণ্ডই অধ্যয়ন কৰা এনে তথ্যসম্বলিত আলোচনাসমূহ নিজ জিলাৰ উপায়ুক্তৰ হাতত জমা দিব লাগে। ইয়াৰ পিছত সাতোখন জিলাৰ উপায়ুক্তসকলে বিষয়সমূহ সীমান্ত এলেকাৰ বিভাগক অৱগত কৰে আৰু কাৰ্য্য ব্যৱস্থা গ্ৰহণাৰ্থে প্ৰেৰণ কৰে। এই ক্ষেত্ৰত দেশৰ ৰাজ্য চৰকাৰ আৰু আন্তজাতিক সীমাৰ ক্ষেত্ৰত দৰকাৰ হ'লে কেন্দ্ৰীয় চৰকাৰে বিহীত ব্যৱস্থা গ্ৰহণ কৰে। কেতিয়াবা-কেতিয়াবা এনেবোৰ অঞ্চলত সামূহিক সুৰক্ষা আৰু উন্নয়নৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে নিজাববীয়াকৈ আঁচনি প্ৰস্তুত কৰিব পাৰে আৰু ৰূপায়নো কৰিব পাৰে।

6.9.1। **অসমৰ সীমা উন্নয়নৰ বাবে ল'ব লগা ব্যৱস্থাসমূহ (Different Steps for Border Development in Assam)** ঃ অসমৰ আৰ্থিক উন্নয়নৰ গতি ত্বৰান্বিত কৰিবলৈ হ'লে অসম তথা ভাৰত চৰকাৰে অসমৰ আন্তৰাজ্যিক আৰু আন্তজাৰ্তিক দুয়ো প্ৰকাৰ সীমা সুনিৰ্দিষ্ট আৰু সুৰক্ষিত কৰিবই লাগিব। এই ক্ষেত্ৰত দেশৰ কৰ্তৃপক্ষই তলত উল্লেখ কৰা দিশসমূহৰ প্ৰতি লক্ষ্য ৰখা উচিত।

(1) **সীমা চিনাক্তকৰণ (Well Identified Border)** ঃ অসমৰ

চাৰিসীমাত থকা আন্তঃজাতিক আৰু চুবুৰীয়া ৰাজ্যৰ লগত অসমৰ চাৰিসীমা আজিকোপতি সঠিকভাৱে চিনাক্তকৰণ কৰা হোৱা নাই। বহু স্থানত আজিও সীমান্ত এলেকাত এনে সমস্যাই জটিল ৰূপ ধাৰণ কৰা দেখা পোৱা গৈছে। অসমৰ লগত বাংলাদেশৰ সীমা সম্পৰ্কীয় কেইবালানিও আলোচনা হৈছে যদিও বিষয়টোৱে ৰাজনৈতিক সমীকৰণৰ ৰূপ লোৱাত জনসাধাৰণৰ মনত অবিশ্বাসৰ ভাৱ সৃষ্টি কৰিছে। ঠিক একেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগত থকা অসমৰ সীমান্ত সঠিকভাৱে নিশ্চিত নোহোৱাত নগাভূমি আৰু অৰুণাচল প্ৰদেশৰ সীমান্ত এলেকাৰ জনসাধাৰণৰ লগত অসমৰ সীমান্ত এলেকাৰ জনসাধাৰণৰ প্ৰায়ে সীমা বিবাদে উগ্ৰমূৰ্তি ধাৰণ কৰা দেখা পোৱা যায়। অসমৰ সীমান্ত এলেকাত অৰুণাচলী আৰু নগাভূমি লোকৰ সীমা বিবাদে হত্যা, লুণ্ঠন, অগ্নি সংযোগ, লুট-পাত আদিৰো প্ৰায়ে সৃষ্টি হোৱা দেখা যায়। গতিকে আন্তজাতিকেই হওক বা আন্তঃৰাজ্যিকেই হওক অনতি পলমে এনে সমস্যা সমাধান হোৱাতো নিতান্ত প্ৰয়োজন।

(2) **সীমা সুৰক্ষা (Border Protection)** ঃ অসমৰ ভৌগোলিক চাৰিসীমা সুনিশ্চিত কৰাৰ লগতে সীমা সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাটো নিতান্ত প্ৰয়োজন। সীমা সুৰক্ষা নিশ্চিত কৰিলেহে সীমান্ত এলেকাৰ জনসাধাৰণে নিশ্চয়তা লাভ কৰিব পাৰে। আত্মপ্ৰত্যয় লাভেৰে জীয়াই থকাৰ সংগ্ৰামত ব্ৰতী থাকিব পাৰে। সীমান্ত এলেকাত থকা জনসাধাৰণ সাধাৰণতে শ্ৰমজীৱি হোৱাত সুৰক্ষিত সীমা ব্যৱস্থাই কৃষি কৰ্মত প্ৰেৰণাৰ যোগান ধৰিব পাৰে।

(3) **পৰিবহন আৰু যোগাযোগৰ উন্নয়ন (Development of Transport and Communication System)** ঃ সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে মৌলিক প্ৰয়োজনসমূহৰ অন্যতম হ'ল পৰিবহন আৰু যোগাযোগৰ উন্নয়ন। অসমৰ বহু সীমান্ত এলেকা পাহাৰীয়া নদীৰে আবৃত। হ'লেও যিমান দূৰ সম্ভৱ এনে দুৰ্গম এলেকাবোৰক পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰে প্ৰধান স্থানসমূহৰ লগত যোগাযোগৰ সূচল ব্যৱস্থা গ্ৰহণ কৰিলে তেনে এলেকাৰ মানুহৰো আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক সৱলীকৰণ সম্ভৱ হ'ব আৰু দেশখনৰ বিভিন্ন এলেকাৰ মাজত থকা আঞ্চলিক বৈষম্য দূৰ কৰিব পৰা হ'ব।

(4) **গ্ৰাম্য উন্নয়ন (Village Development)** ঃ অসমৰ সীমান্ত অঞ্চলত

অৱস্থিত গাওঁসমূহৰ আৰ্থিক উন্নয়ন আজিও বৰ পুতৌ লগা অৱস্থা প্ৰাপ্ত হৈছে। এনে এলেকাৰ লোকসকলৰ মাজত বৰ্তমানেও শিক্ষিত হাৰ নিচেই কম। পৰিয়াল পৰিকল্পনাৰ অভাৱত আজিও জন্ম নিয়ন্ত্ৰণ আঁচনিসমূহ সঠিকভাৱে ৰূপায়ন কৰা হোৱা নাই। কৃষিৰ দিশতো পৌৰাণিক পদ্ধতিৰ প্ৰয়োগেই প্ৰধান্য লাভ কৰি আছে। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ পোহৰ নোপোৱা মানুহখিনিয়ে আজিও বহু দিশত বিধতাৰ লিখন বুলিয়েই শান্তনা লাভ কৰি প্ৰকৃত সন্ধান বিচৰাৰ পৰা আঁতৰত থাকে। সেয়েহে গ্ৰাম্য উন্নয়নৰ বাবে (ক) শিক্ষাৰ উন্নয়ন (খ) স্বাস্থ্যৰ উন্নয়ন (গ) যাতায়ত-পৰিবহনৰ উন্নয়ন (ঘ) বেংকৰ সম্প্ৰসাৰণ আদিবোৰৰ উন্নয়নৰ প্ৰয়োজন আছে।

গ্ৰাম্য এলেকাৰ উন্নয়নৰ বাবে গ্ৰাম্য এলেকাৰ জনসাধাৰণৰ মাজত যাতে অন্ন-বস্ত্ৰ-বাসস্থানৰ নিম্নতম সুবিধাবোৰ উপলব্ধ হয় তাৰ প্ৰতি দেশৰ চৰকাৰ সচেতন হোৱা দৰকাৰ। দ্বিতীয়তে, এনে এলেকাবোৰত প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি কলেজীয়া শিক্ষালৈকে সকলোধৰণৰ শিক্ষা ব্যৱস্থাই যাতে গঢ় লৈ উঠে তাৰ প্ৰতিও দেশৰ সচেতন লোক তথা চৰকাৰে মনোনিবেশ কৰা দৰকাৰ। স্বাস্থ্যখণ্ডৰ উন্নতিয়ে সুস্থ মানৱ সম্পদ গঢ় দিয়াত প্ৰেৰণা প্ৰদান কৰে। গতিকে এনে এলেকাবোৰত চিকিৎসা কেন্দ্ৰ স্থাপনে সমাজক বহুখিনি আগুৱাই নিব পাৰে।

(5) **বৈদ্যোত্যিক সংযোগ (Electrification)** ঃ সীমান্ত এলেকাৰ মানুহে যাতে নিজকে দেশৰ আন-আন অংশৰ মানুহৰ লগত সমানে আগুৱাই নিব পাৰে তাৰ বাবে আন এক মৌলিক সুবিধা হ'ল বিদ্যুতৰ ব্যৱহাৰ। বৰ্তমান সময়ত মানুহৰ দৈনন্দিন জীৱন-যাপনত বিদ্যুতৰ ব্যৱহাৰ সম্পৰ্কে কাকো বুজাই কোৱাৰ প্ৰয়োজন নহয়।

(6) **ঋণৰ যোগান (Supply of the Bank Loan)** ঃ সীমান্ত এলেকাৰ জনসাধাৰণে যাতে নিজকে স্বনিয়োজন আঁচনিৰ যোগেদি প্ৰতিষ্ঠা কৰিব পাৰে তাৰ বাবে প্ৰয়োজনত বেংক বা আন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লাভ কৰিব পৰাকৈ তেনে অনুষ্ঠান গঢ়ি তোলোটো লগতে তেনে অনুষ্ঠানৰ সুৰক্ষা প্ৰদান অতিশয় দৰকাৰ।

(7) **নিয়োগ নিশ্চিতকৰণ আঁচনি (Employment Assurance**

**Programme)** ঃ সীমান্ত এলেকাৰ জনসাধাৰণ যাতে নিয়োগৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ সুযোগ লাভ কৰিব পাৰে তাৰ বাবে দেশৰ চৰকাৰে কিছুমান নিয়োগ নিশ্চিতকৰণ আঁচনি হাতত ল'ব লাগে। ইয়াৰ বাবে সীমামূৰীয়া অঞ্চলসমূহত বসবাস কৰা জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে বিভিন্ন ধৰণৰ সজাগতা আঁচনি ৰূপায়ন কৰিব পৰা যায়।

**(৪) পৰ্য্যটন কেন্দ্ৰ স্থাপন (Establishment as Tourisim Centre)** ঃ অসমৰ সীমান্ত অঞ্চলত পৰ্য্যটন কেন্দ্ৰ হিচাপে গঢ়ি তুলিব পৰা যায়। এনে কৰিবলৈ হ'লে ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যবোধ বৃদ্ধি কৰিবলৈ যত্ন কৰা দৰকাৰ। সীমান্ত এলেকাত পৰ্য্যটকক আকৰ্ষণ কৰিব পৰা বিভিন্ন ব্যৱস্থাসমূহ স্থাপন কৰিলে এহাতে বিদেশী পৰ্য্যটকৰ আগমন ঘটিব, অন্যহাতেদি সীমান্ত সুৰক্ষাও কটকটীয়া হ'ব। বিশেষকৈ প্ৰাকৃতিক পদ্ধতিৰে সীমান্ত এলেকাত পখীৰ উদ্যান, পখিলা উদ্যান, ৰেচম শিল্পৰ আদৰ্শ উদ্যান আৰু গৱেষণা কেন্দ্ৰ, মৎস্য পালন ক্ষেত্ৰ অতি পৰিকল্পিতভাৱে গঢ়ি তুলিলে এফালে সীমান্ত এলেকা সুৰক্ষিত হ'ব, আনহাতেদি অসমৰ আৰ্থিক ৰেহ-ৰূপ সলনি হৈ যাব।

******